৩ পৃষ্ঠাত ৪ পৃষ্ঠাত ১০ পৃষ্ঠাত

# অসম আদিত্য

পুহ, ১৯৪৭ শক ■ বুধবাৰ, ৭ জানুৱাৰী, ২০২৬ ■ Asom Aditya, Dibrugarh, Wednesday, January 7, 2026 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটী

## কানৈ কলেজত কৰ্মচাৰীৰ বাবে এপ মুকলি

**ষ্টাফ ৰিপৰ্টাৰ, ৬ জানুৱাৰী ঃ** শৈক্ষিক উৎকৰ্ষতা তথা উন্নতিৰ সমান্তৰালভাৱে প্ৰযুক্তিৰ উত্তৰণৰ দিশত দেশৰ ভিতৰতে ইতিমধ্যে এক বিশেষ স্থান দখল কৰিবলৈ সক্ষম হোৱা ৮০ বছৰ গৰকা ঐতিহ্যমণ্ডিত ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্ত শাসিত)-ত আজি মহাবিদ্যালয়খনৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই আনুষ্ঠানিকভাৱে মুকলি কৰে 'কৰ্মবন্ধু' নামৰ অত্যাধুনিক এক ম'বাইল এপ্লিকেশ্যন। মহাবিদ্যালয়খনৰ কাম-কাজত অধিক সুস্থতা, স্বচ্ছতা, নিৰপেক্ষতা আৰু গতিশীলতা অনাৰ উদ্দেশ্যে এই নতুন এপটো প্ৰস্তুত কৰা হৈছে। উল্লেখ্য যে এই 'কৰ্মবন্ধু' এপৰ জৰিয়তে মহাবিদ্যালয়খনৰ অনাশিক্ষক কৰ্মচাৰীসকলে দিনটোত কৰা কৰ্মৰ খতিয়ান এতিয়াৰ পৰা মিনিটে মিনিটে জানিব পৰা যাব। মহাবিদ্যালয়খনৰ কৰ্মচাৰীসকলে নিজৰ দায়িত্ব, কৰ্তব্য কিদৰে পালন কৰিছে, কোনে দক্ষতাৰে কাম কৰিছে, কোনে অৱহেলা কৰিছে, কোনে এলাহ প্ৰদৰ্শন কৰিছে এই সকলো জনাৰ উপৰি তেওঁলোকৰ কামৰ অগ্ৰগতি কিমান তাৰ এক সঠিক হিচাপ এই ডিজিটেল প্লেটফৰ্মৰ জৰিয়তে মহাবিদ্যালয় কৰ্তৃপক্ষই সঠিকভাৱে জানিব পাৰিব। উল্লেখ্য যে ডি এইচ এছ কানৈ মহাবিদ্যালয়ে ইতিমধ্যে অধ্যাপক-অধ্যাপিকাসকলৰ বাবে নিয়মীয়া কৰ্মৰ খতিয়ান উপলব্ধ হ'ব পৰাকৈ উচ্চ ক্ষমতা সম্পন্ন 'এল এম এছ ছফ্টৱেৰ' ব্যৱহাৰ কৰি সফল হোৱাৰ পিছত শ্ৰেণীকোঠাত শিক্ষাৰ্থীৰ উপস্থিতি প্ৰযুক্তিৰ যোগেদি উপলব্ধ হোৱাকৈ এই ছফ্টৱেৰে সহায় কৰি আহিছে। অনলাইন মাধ্যমেৰে ছাত্ৰ একতা সভাৰ নিৰ্বাচন সম্পন্ন কৰি পৃথিৱীৰ ইতিহাসত এক নজিৰবিহীন উদাহৰণ দাঙি ধৰিবলৈ সক্ষম হোৱা কানৈ মহাবিদ্যালয়ত ইতিমধ্যে মহাবিদ্যালয়ৰ প্ৰশাসনীয় কাম-কাজ 'অফিচ মেনেজমেণ্ট ছফ্টৱেৰ'ৰ জৰিয়তে কাগজবিহীনভাৱে সম্পন্ন কৰাৰ ব্যৱস্থা হৈছে। এনে কৰাৰ ফলত মহাবিদ্যালয়খনৰ অধ্যক্ষ, উপাধ্যক্ষকে ধৰি বিভিন্ন দায়িত্বত থকা অধ্যাপক-কৰ্মচাৰীসকলে পৃথিৱীৰ যিকোনো ঠাইৰ পৰাই তেওঁৰ দায়িত্ব পালন কৰিব পৰা হৈছে। ফলত কামৰ অগ্ৰগতি খৰতকীয়া হৈছে। প্ৰযুক্তিৰ এনে উত্তৰণৰ বাবে অসম চৰকাৰৰ অধীনৰ একমাত্ৰ প্ৰযুক্তি প্ৰতিষ্ঠান 'এমট্ৰন'ৰ দৰে অনুষ্ঠানে মহাবিদ্যালয়খনক 'আই চি টি মহাবিদ্যালয়' হিচাপে ঘোষণা কৰিছে। অসম চৰকাৰৰ উচ্চশিক্ষা বিভাগৰ সঞ্চালকে উৰ্দ্ধতম কৰ্তৃপক্ষলৈ মহাবিদ্যালয়খনক 'স্মাৰ্ট এণ্ড ডিজিটেল' মহাবিদ্যালয় হিচাপে স্বীকৃতি প্ৰদানৰ বাবে ইতিমধ্যে পত্ৰ প্ৰেৰণ কৰিছে। আজি অনাশিক্ষক কৰ্মচাৰীৰ বাবে 'কৰ্মবন্ধু' এপ মুকলিৰে চমক সৃষ্টি কৰি অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই কয়— বৰ্তমানৰ যুগত প্ৰযুক্তি সহায় নোলোৱাকৈ কোনো প্ৰতিষ্ঠানেই দ্ৰুত গতিত আগবাঢ়িব নোৱাৰে। 'কৰ্মবন্ধু' এপে কেৱল কৰ্মচাৰীৰ কামৰ খতিয়ানেই ৰাখিব এনে নহয়, বৰঞ্চ কৰ্মবন্ধু এপে মহাবিদ্যালয়খনৰ প্ৰশাসনিক ব্যৱস্থাক আজিৰে পৰা অধিক শৃংখলিত আৰু দায়িত্বশীল কৰি তুলিব। মহাবিদ্যালয়খনৰ শেহতীয়া প্ৰযুক্তিগত উন্নয়নত ডিব্ৰুগড়ৰ শৈক্ষিকমহলৰ লগতে সচেতনমহলেও আদৰণি জনাইছে। স্মতব্য যে কানৈ মহাবিদ্যালয়ে ইতিমধ্যে উন্নত ডিজিটেল শ্ৰেণীকোঠা আৰু উন্নত ই-লাইব্ৰেৰী, উন্নত চি আই এফ পৰীক্ষাগাৰ, এডভাঞ্চ লেভেল বায়টেক হাব, দেশৰ ভিতৰত পৰিষ্কাৰ মহাবিদ্যালয়, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ভিতৰত শ্ৰেষ্ঠ শৃংখলাবদ্ধ মহাবিদ্যালয়, ৰাষ্ট্ৰসংঘৰ উত্তৰ-পূব সম্পদ কেন্দ্ৰৰ দ্বাৰা চেণ্টাৰ অৱ এক্সিলেঞ্চ মহাবিদ্যালয় হিচাপেও বিশেষভাৱে পৰিচিত। এপ মুকলি অনুষ্ঠানত উপস্থিত থাকি মহাবিদ্যালয়খনৰ উপাধ্যক্ষ ড০ পাৰ্থ গাংগুলীয়ে কয়— 'কৰ্মবন্ধু' এপৰ সংযোজনেৰে মহাবিদ্যালয়খনক প্ৰযুক্তিৰ উত্তৰণৰ দিশত বহু উচ্চ শিখৰলৈ আগুৱাই লৈ গ'ল আৰু আজিৰে পৰা মহাবিদ্যালয়খনৰ সুস্থ প্ৰশাসনীয় ব্যৱস্থাত আন এক নতুন মাত্ৰা প্ৰদান কৰিব।